প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে টেলিফোনিক বাৰ্তালাপ

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰী ড'নাল্ড ট্ৰাম্পৰ সৈতে টেলিফোনত বাৰ্তালাপ কৰে।

2. দ্বিপাক্ষিক বাণিজ্য, প্ৰতিৰক্ষা, শক্তি, গুৰুত্বপূৰ্ণ প্ৰযুক্তি আৰু অন্যান্য পাৰস্পৰিক স্বাৰ্থজড়িত খণ্ডসমূহত দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতি সম্পৰ্কে দুয়োগৰাকী নেতাই পৰ্যালোচনা কৰে।

3. ভাৰত-আমেৰিকাৰ ব্যাপক বিশ্বব্যাপী কৌশলগত অংশীদাৰিত্ব অধিক আগবঢ়াই নিয়াৰ বাবে দুয়োগৰাকী নেতাই নিজৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে আৰু দুয়োখন দেশৰ জনগণৰ কল্যাণৰ অৰ্থে সহযোগিতা গভীৰতৰ কৰিবলৈ ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰি চলিবলৈ সন্মত হয়।

4. নেতাসকলে আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি সম্পৰ্কতো মত বিনিময় কৰে আৰু বিশ্বৰ শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে চলি থকা প্ৰচেষ্টাসমূহৰ বিষয়ে আলোচনা কৰে।

5. দুয়োগৰাকী নেতাই ভৱিষ্যতেও যোগাযোগ অব্যাহত ৰাখিবলৈ সন্মত হয়।

নতুন দিল্লী

ছেপ্তেম্বৰ 30, 2026